# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 05-06-2025**

**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***::::::::::::::::::::::::::::::***

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ সামান্য উন্নতি হৈছে যদিও  বিভিন্ন নৈ-উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰত থকাৰ পৰিপ্ৰেক্ষিতত ১৯ খন জিলাৰ ভালেমান অঞ্চল এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৰাজ্যখনত ৫ লাখ ৬০ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। যোৱা ২৪ ঘণ্টাত বানৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰ ফলত বছৰৰ প্ৰথমটো বানত ৰাজ্যখনত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১৬ লৈ বৃদ্ধি পাইছে। জিলা প্ৰশাসনসমূহে স্থাপন কৰা ১৯০টা আশ্ৰয় শিবিৰত ৪১ হাজাৰ ৩১৭ জনৰো অধিক লোকে আশ্ৰয় লৈ আছে। বানৰ ফলত ২ লাখৰো অধিক পশুধনৰো ক্ষতি হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ গুৱাহাটীত বান ক্ষতিগ্ৰস্ত লোকসকলক সাক্ষাৎ কৰি পৰিস্থিতিৰ বুজ লয়। ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে আশ্ৰয়গৃহৰ ব্যৱস্থা কৰাৰ উপৰি প্ৰয়োজনীয় সাহায্য প্ৰদানৰ দিহা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এছ ডি আৰ এফ আৰু এন ডি আৰ এফে কেইবাখনো জিলাত উদ্ধাৰ অভিযান চলাই আছে। বানৰ ফলত ৰাজ্যৰ বিভিন্ন স্থানত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত ৰাজ্যখনত পাতলীয়াৰ পৰা বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

oooooo

উৰণ সেতু নিৰ্মাণৰ নামত আমবাৰীৰ পৰা দীঘলীপুখুৰীলৈ এজোপা গছো কটা নাযায়। ইয়াৰ পৰিৱৰ্তে চৰকাৰে ৭৭ জোপা সৰু-বৰ গছ স্থানান্তৰহে কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ত আজি ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই এই কথা সদৰি কৰে। দীঘলীপুখুৰীৰ আশে-পাশে কেবাজোপা গছৰ ডাল-পাত কটাক লৈ এজন ব্যক্তিয়ে উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি কালত শ্ৰী শইকীয়াই কয়, যে উৰণ সেতুৰ সংশোধিত আৰ্হি অনুসৰি আমবাৰীৰ অসম গণ পৰিষদৰ কাৰ্যালয়ৰ সাত জোপা, গুৱাহাটী বিশ্ববিদ্যালয় তথ্যকেন্দ্ৰৰ পৰা ছজোপা, ষ্টাৰ্টআপ চৌহদৰ দুজোপা, প্ৰাগজ্যোতিকাৰ পৰা ৪ জোপা, টেক্সষ্টাইল প্ৰতিষ্ঠানৰ ২৯ জোপা আৰু প্ৰত্নতাত্বিক জৰীপ কাৰ্যালয়ৰ পৰা ৯ জোপাকে ধৰি মুঠ ৭৭ জোপা গছ স্থানান্তৰিত কৰা হ'ব। এজোপা গছো কটা নাযায় বুলি আশ্বাস প্ৰদান কৰি মহাধিবক্তা শইকীয়াই কয়, যে গছ স্থানান্তৰ প্ৰক্ৰিয়াৰ বাবে দিল্লীৰ ডি আই এম টি চি নামৰ এটা প্ৰতিষ্ঠানক দায়িত্ব দিয়া হৈছে। তেওঁ লগতে দীঘলীপুখুৰীৰ পৰা কোনো গছ আঁতৰ কৰোৱা নহয় বুলি স্পষ্ট কৰি দিয়ে। ইয়াৰ পাছতে উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ এল জমিৰ আৰু ন্যায়াধীশ ছামিমা জাহানৰ খণ্ড বিচাৰপীঠে ৰাজ্য চৰকাৰক বিষয়খিনি শপতনামা আকাৰে দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত ১০০ খন বিছনাযুক্ত নেওতিয়া ভাগীৰথী মহিলা আৰু শিশু পৰিচৰ্যা কেন্দ্ৰ মুকলি কৰে। ৰাজ্যত গুণগত চিকিৎসা আন্তঃগাঁথনিৰ সম্প্ৰসাৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ সৈতে হোৱা বুজাবুজিৰ চুক্তি অনুযায়ী এই কেন্দ্ৰটো স্থাপন কৰা হৈছে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে উত্তৰ-পূৰ্বাঞ্চল আৰু আচিয়ান ৰাষ্ট্ৰসমূহৰ বাবে গুৰুত্বপূৰ্ণ স্বাস্থ্য সেৱা কেন্দ্ৰ হিচাপে গুৱাহাটীত অঞ্চলটোৰ চিকিৎসা আন্তঃগাঁথনি সুদৃঢ়কৰণৰ থল আছে। বৰ্তমান চৰকাৰে স্বাস্থ্য সুবিধাৰ সৃষ্টিৰ লগতে চিকিৎসা বিজ্ঞানৰ শিক্ষা সুলভ কৰি তোলাত গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোকে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ২৪ খন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে কাম কৰি আছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক পাঁচ হেজাৰখন বিছনা যুক্ত চিকিৎসালয়লৈ ৰূপান্তৰৰ বাবে পদক্ষেপ লোৱা হৈছে বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

শিশুসকলক সুন্দৰভাৱে আগুৱাই লৈ যাব পাৰিলে দেশ-সমাজৰ প্ৰগতি অনিবাৰ্য। পাঠশালাত আজি বজালী জিলাৰ অন্তৰ্গত বজালী আৰু ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ ৯০৩ গৰাকী অংগনবাড়ী কৰ্মীৰ মাজত ম'বাইল ফোন বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শিশুসকলক আগুৱাই নিয়াৰ ক্ষেত্ৰত অভিভাৱক আৰু অংগনবাড়ী কৰ্মীসকলৰ অৱদান অনস্বীকাৰ্য। তেওঁ কয়, যে শিশুসকলক নিয়াৰিকৈ শিক্ষা দানৰ উদ্দেশ্যে অংগনবাড়ী কেন্দ্ৰসমূহ স্থাপন কৰা হৈছে। অভিভাৱক আৰু অংগনবাড়ী কৰ্মীৰ মাজত যোগাযোগৰ বাবে কৰ্মীসকলক ম'বাইল ফোন দিয়া হৈছে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত বিধায়ক ফণীধৰ তালুকদাৰ, বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাস, নাট্যকৰ্মী কৃষ্ণ ৰয় প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এইপৰ্যন্ত  বিভিন্ন জিলাৰ পৰা ৮৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। আজি দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত কামৰূপ আৰক্ষীয়ে জিলাখনৰ পৰা আমিৰ হামজাক নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। একেদৰে হাইলাকান্দি আৰক্ষীয়ে মুস্তাফাক, দৰং আৰক্ষীয়ে ছুবাহান আলী আৰু বৰপেটা আৰক্ষীয়ে মেহেৰ আলী নামৰ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে।

০০০০০

বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আজি উত্তৰ-পূব সীমান্ত ৰে'লৱে আৰু কটন বিশ্ববিদ্যালয়ে পৰিৱেশ সংৰক্ষণৰ দিশত সহযোগিতাসমূলক গৱেষণা চলাই নিয়াৰ বাবে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। এই চুক্তিখনে জলবায়ু প্ৰতিৰোধী আন্তঃগাঁথনি, নৱীকৰণ যোগ্য শক্তি, বন্য প্ৰাণীৰ সংৰক্ষণ, কৃত্ৰিম বুদ্ধিমত্তা চালিত বহনক্ষম পৰিবহন সমাধান আৰু সহযোগিতামূলক গৱেষণাৰ ভেঁটি স্থাপন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

সমাপ্ত